আইতাৰ মণি

আইতাই তেওঁৰ পেৰাত থকা ১২টা ৰঙা মণি নাতিনীয়েকক উলিয়াই দিলে। তেওঁ ৪টাকৈ মণিৰে এডালকৈ মালা গাঁথিবলৈ ক'লে। তেন্তে কেইখন মালা গাঁথিলে চোৱা যাওঁ।





প্ৰথম মালা — মণি বাকী থাকিল ১২ - ৪ = ৮

দ্বিতীয় মালা — মণি বাকী থাকিল ৮ - ৪ = ৪

তৃতীয় মালা — মণি বাকী থাকিল ৪ - ৪ = ০

তেন্তে ১২ টা মণিৰে ৩ খন মালা গাঁথিলে।

অৰ্থাৎ ১২ টা মণিৰ পৰা ৪টাকৈ মণি ৩ বাৰ বিয়োগ কৰিলে।

আমি এনেদৰেও লিখিব পাৰো ১২ ÷ ৪ = ৩

যদি তেওঁৰে ১২ টা মণিৰ পৰা ৩ টাকৈ লয়, তেন্তে তাই কেইখন মালা গাঁথিব পাৰিব?



প্ৰথম মালা


দ্বিতীয় মালা

তৃতীয় মালা

চতুৰ্থ মালা


গতিকে ১২ টা মণিৰে তাই ৪ খন মালা গাঁথিব পাৰিব অৰ্থাৎ ১২ ÷ ৩ = ৪ খন মালা।

- ১৬টা মণি ৪টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব ?



অৰ্থাৎ
১৬ ÷ ৪ = ৪১৭ ধাৰি মালা

- ৮টা মণি ৪টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব ?




অৰ্থাৎ
৮ ÷ ৪ = 22 ধাৰি মালা

- ১০টা মণি ২টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব




অৰ্থাৎ
১০ ÷ ২ = ৫ ধাৰি মালা

- ১৫টা মণি ৫টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব ?



অৰ্থাৎ
১৫ ÷ ৫ = ৩ ধাৰি মালা

- ২৪টা মণি ৬টাকৈ ল'লে কেইধাৰি মালা গাঁথিব পাৰিব ?



অৰ্থাৎ
২৪ ÷ ৬ = ৪ ধাৰি মালা

শিক্ষকলৈ নিৰ্দেশনা : ছাত্ৰ-ছাত্ৰীক বস্তুৰ জৰিয়তে ২, ৪, ৫, ৬, ১২ টাকৈ সমান গুটি, কাঠী, পছন্দ পাত ইত্যাদিৰে ভাগ কৰা কাম কৰিবলৈ দিব।



## ভাগ কৰোঁ আহা



কণ, সেউতী, ৰফিক, জোনমিলি আৰু লক্ষ্মীয়ে বাৰীৰ পৰা ১৫ টা আম আনিলে। সিহঁতে আমবোৰ ভগাবলৈ ধৰিলে। প্ৰথমতে ৫ টা আম পাঁচজনৰ মাজত এটাকৈ ভগাই ল'লে।১০ টা আম বাকী থাকিল। আকৌ সিহঁতে এটাকৈ আম গাইপতি ল'লে। বাকী থাকিল ৫ টা। এতিয়া বাকী থকা ৫ টা আম ৫জনৰ মাজত পুনৰ ভগাই ল'লে। এইবাৰ আম এটাও বাকী নাথাকিল। এনেদৰে ১৫টা আম ভগোৱাৰ পাছত গাইপতি ৩টাকৈ পালে।



কণ, সেউতী, ৰফিক, জোনমিলি আৰু লক্ষ্মীয়ে আম ১৫টা নিজৰ মাজত কেনেকৈ ভগালে চাওঁ আহা।



১ম বাৰ : গাইপতি এটাকৈ আম ভগালে, আম বাকী থাকিল ১৫ - ৫ = ১০টা



২য় বাৰ : গাইপতি আৰু এটাকৈ আম ভগালে, আম বাকী থাকিল ১০ - ৫ = ৫টা



৩য় বাৰ : গাইপতি আৰু এটাকৈ আম ভগালে, আম বাকী থাকিল ৫ - ৫ = ০ টা

আমি দেখি
যে ১৫টা
৫জনৰ মা
সমানে ভ
দিলে প্ৰতি
৩টাকৈ পাব
কথাটো
ধৰণেও
হয়-
১৫ ÷ ৫ =
'÷' চিনক
চিন বা ভাগ
বুলি কোৱা

### চিন্তা কৰা আৰু কোৱা

- প্ৰথম বাৰ ভগোৱাৰ পিছত কেইটা আম বাকী থাকিল ?
- দ্বিতীয় বাৰ ভগোৱাৰ পিছত কেইটা আম বাকী থাকিল ?
- কিমান বাৰ ভগোৱাৰ পিছত আম আৰু বাকী নাথাকিল ?
- ১৫ টা আম ৫ জনৰ মাজত সমানে ভগাই দিয়াত প্ৰতিজনে কেইটাকৈ পালে ?

## নিজে কৰা

১৮টা আম সমানে ভগোৱা ঃ

(ক) ৬জনৰ মাজত (খ) ৩জনৰ মাজত (গ) ২জনৰ মাজত

*শিক্ষকলৈ নির্দেশনা ঃ বাস্তৱ কার্যৰ জৰিয়তে ছাত্র-ছাত্রীক ভাগ কৰিবলৈ শিকাব।*

## বাৰে বাৰে কৰা বিয়োগৰ জৰিয়তে হৰণ কৰোঁ আহা

২০ৰ পৰা এবাৰত ৫টাকৈ বস্তু ললে আমি কেইবাৰ ল'ব পাৰিম চাও আহা।

২০ ÷ ৫ = ?

২০
−৫ (১)
১৫
−৫ (২)
১০
−৫ (৩)
৫
−৫ (৪)
০

কি বুজিলা?
২০ৰ পৰা ৫টাকৈ বস্তু আমি ৪ বাৰ ল'ব পাৰোঁ। ইয়াৰ পিছত আৰু বস্তু বাকী নাথাকিব। তাৰ মানে ২০ ত ৫ ৰ গোট আছে ৪ টা। সেই কথাটো আমি এনেদৰে লিখিব পাৰোঁ—
২০ ÷ ৫ = ৪

২৫ ÷ ৫ = □

২৫
−৫ (১)
২০
−৫ (২)
১৫
−৫ (৩)
১০
−৫ (৪)
৫
−৫ (৫)
০

সেয়েহে ২৫ ÷ ৫ = ৫

২৪ ÷ ৬ = □

১৮ ÷ ৬ = □

৩০ ÷ ৫ = □

৫০ ÷ ১০ = □



## ছবি চাই চিন্তা কৰি কোৱা আৰু লিখা



✦ ডলাত কেইখন পিঠা আছে? ............
কৰবী আৰু কমলৰ মাজত পিঠা কেইখন সমানে ভগালে প্রত্যেকে কেইখনকৈ পিঠা পাব? ............
কেইখন পিঠা বাকী থাকিব? ............



✦ কেইজন ল'ৰা-ছোৱালী নাওত উঠিবলৈ ৰৈ আছে
............
মুঠ নাওৰ সংখ্যা কেইখন? ............
এখন নাওত ৪ জনকৈ উঠিব পাৰিলে কেইজন উঠিব পাৰিব? ............
কেইজনে উঠিবলৈ নাপাব? ............

## পূৰণৰ নেওতাৰ সহায়ত ভাগ কৰোঁ আহা

(ক) ১৬ ÷ ৪ = ৪

পূৰণৰ নেওতাৰ সহায়ত ১৬ত ৪ কেইবাৰ আছে চাওঁ আহা
দেখা গ'ল যে ১৬ত ৪, ৪ বাৰ আছে।
ভাগ কৰা এই কামটো আমি তলত দিয়া ধৰণে লিখিব পাৰোঁ।

ভাজক ← ৪ ) ১৬ ভাজ্য ( ৪ ভাগফল
১৬
০ ভাগশেষ বা বাকী

৪ × ১ = ৪
৪ × ২ = ৮
৪ × ৩ = ১
৪ × ৪ = ১

(খ) ২৬ ÷ ৫

পূৰণৰ নেওতাৰ সহায়ত ২৬ত ৫ কেইবাৰ আছে চাওঁ আহা
অর্থাৎ ২৬ত ৫, ৫ বাৰ আছে।
২৬ক ৫ বাৰ ভাগ কৰাৰ পিছত ১ বাকী থাকে।

ভাজক ৫ ) ২৬ ভাজ্য ( ৫ ভাগফল
২৫
১ ভাগশেষ

৫ × ১ = ৫
৫ × ২ = ১
৫ × ৩ = ১
৫ × ৪ = ২
৫ × ৫ = ২

চিন ব্যৱহাৰ কৰি হৰণ কৰোঁ আহা

(ক) ৩৬ ÷ ৩

```
   ১              ১ ২
৩)৩ ৬          ৩)৩ ৬
  ৩              -৩ ↓
  ০                 ৬
                  - ৬
                    ০
```

গতিকে ভাগফল ১২, ভাগশেষ ০

(খ) ৩৭ ÷ ৪

(গ) ৭৩ ÷ ৮

(ঘ) ৫৭ ÷ ৬

(ঙ) ৬৭ ÷ ১০

(চ) ১৯ ÷ ৯


(ছ) ৩৬ ÷ ৭

(জ) ৪৩ ÷ ৫



## হৰণ আৰু পূৰণৰ সম্বন্ধবোৰ চাওঁ আহা

পূৰণ




৩ পাহকৈ ফুল ২ বাৰ আছে

৩, ২ বাৰ

৩ × ২ = ৬


হৰণ



৬ পাহ ফুল ২ টা সমান ভাগত ভগালে প্ৰতি ভাগত ৩ পাহকৈ ফুল থাকিব


৬ ÷ ২ = ৩

হৰণ




৬ পাহ ফুল ৩টা সমান ভাগত ভগালে প্ৰতি ভা[গত ২] পাহকৈ ফুল থাকিব

৬ ÷ ৩ = ২




৪ টাকৈ লেটেকু ৩ বাৰ আছে

৪ × ৩ = ১২



১২টা লেটেকু ৩ টা সমান ভাগত ভগালে প্ৰতি ভাগত ৪ টাকৈ থাকিব


১২ ÷ ৩ = ৪




১২টা লেটেকু ৪ টা সমান ভাগত ভগালে প্ৰতি ভাগত ৩ টাকৈ থাকিব

১২ ÷ ৪ = ৩


নিজে কৰা



৫ পাহকৈ ফুল ৩ বাৰ আছে।



১৫ পাহ ফুল ৩ টা সমান ভাগত ভগালে প্ৰতি ভাগত ৫ পাহকৈ থাকিব।



১৫ পাহ ফুল ৫ টা সমান ভাগত ভগালে ভাগত ৩ পাহকৈ থাকিব

## হৰণ আৰু পূৰণৰ সম্বন্ধবোৰ উলিওৱা

| ১৮ × ৩ = ৫৪ | ৪ × ৫ = ২০ | ৬ × ৯ = ৫৪ |
|---|---|---|
| ৫৪ ÷ ১৮ = ৩ | | |
| ৫৪ ÷ ৩ = ১৮ | | |

| ৭ × ৮ = ৫৬ | ৯ × ৫ = ৪৫ | ১০ × ৭ = ৭০ |
|---|---|---|
| | | |

## খালী ঠাই পূৰ কৰোঁ আহা

(ক) ২ × ৩ = ৬
৬ ÷ ২ = ৩
৬ ÷ ৩ = ২

(খ) ৩ × ৪ = .......
১২ ÷ ৩ = .....
১২ ÷ ৪ = ......

(গ) ৩ × ....... = ২১
২১ ÷ ৭ = ......
২১ ÷ ..... = ৭

(ঘ) ৬ × ৫ = ......
৩০ ÷ ৫ = .....
..... ÷ ৬ = ৫

(ঙ) ..... × ৬ = ৪২
..... ÷ ৬ = ৭
৪২ ÷ ৭ = .....

(চ) ৪ × .... = ৭২
..... ÷ ৪ = .....
৭২ ÷ ..... = ৪

## সমস্যামূলক সমাধান কৰোঁ আহা

(ক) ৩০টা চকলেট ৩টা টেমাত ভৰালে প্ৰতিটো টেমাত কিমানটাকৈ চকলেট থাকিব?

(খ) ১৬টা গোলাপ ফুলৰ পুলি বাগিচা এখনত ৪টা শাৰীত ৰুব লাগে। প্ৰতিটো শাৰীত কিমানটাকৈ পুলি ৰুব লাগিব?

(গ) এজন ছাত্ৰক ২খনকৈ বিস্কুট চাহৰ লগত দিলে ৫০খন বিস্কুট কিমানজন ছাত্ৰ-ছাত্ৰীক দিব পাৰিব?

(ঘ) ৭ দিনত এসপ্তাহ হ'লে ৩৫ দিনত কেইসপ্তাহ?

(ঙ) ১০ টা মিঠাইৰ দাম ১০০ টকা হ'লে, ১টা মিঠাইৰ দাম কিমান?

(চ) অনুপমৰ হাতত ১০টা বেলুন আছিল। সি তাৰ প্ৰতিজন বন্ধুক ২টাকৈ বেলুন দিলে। অনুপমৰ বন্ধু কেইজন আছিল?



## সাঁথৰ ভাঙো আহা

(ক) বগৰী আছিল ২০টা। ল'ৰা আছিল ৫জন। প্ৰতিজনক সমানে ভগালে পাব কেই

(খ) ৰে'লৰ ডবা আছে ৬টা। কণমইনাহঁত ৩০ জন। ডবাই প্ৰতি সমানে উঠিলে ডবাত উঠিব কেইজনকৈ?

(গ) চকা আছে ২৪টা। ৰিক্সাত লাগে ৩টা। সকলো চকা লগালে ৰিক্সা হ'ব কেইখন?

## চেষ্টা কৰা

দুটা সংখ্যাৰ পূৰণফল ৩৭৫। এটা সংখ্যা যদি ২৫ হয় আনটো সংখ্যা কি?

**তলৰ তালিকাখন চোৱা আৰু তলত দিয়া অনুযায়ী বিচাৰি উলিয়াই লিখা।**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ৬ | ১১ | ১৬ | ২১ | ২৬ | ৩১ | ৩৬ | ৪১ | ৪৬ |
| ২ | ৭ | ১২ | ১৭ | ২২ | ২৭ | ৩২ | ৩৭ | ৪২ | ৪৭ |
| ৩ | ৮ | ১৩ | ১৮ | ২৩ | ২৮ | ৩৩ | ৩৮ | ৪৩ | ৪৮ |
| ৪ | ৯ | ১৪ | ১৯ | ২৪ | ২৯ | ৩৪ | ৩৯ | ৪৪ | ৪৯ |
| ৫ | ১০ | ১৫ | ২০ | ২৫ | ৩০ | ৩৫ | ৪০ | ৪৫ | ৫০ |

(ক) ৫ৰে হৰণ যোৱা সংখ্যাবোৰ

১০, ১৫, ..........................................................

(খ) ৬ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................

(গ) ৭ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................

(ঘ) ৮ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................

(ঙ) ৯ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................

(চ) ১০ৰে হৰণ যোৱা সংখ্যাবোৰ

..........................................................

ৰংপিয়ে ঘৰৰ বাগিচাৰ পৰা ৮১টা কমলা ছিঙিলে। সেই কমলাবোৰ ৯টাকৈ টুকুৰিত ভৰালে। প্ৰতিটো টুকুৰিত কেইটাকৈ কমলা থাকিব?

২৮টা লেটেকু কেইজনীমান ছোৱালীয়ে সমানে ভগাই ল'লে। যদি প্ৰত্যেক ছোৱালীয়ে ৪টাকৈ লেটেকু পায়, তেনেহ'লে কেইজনী ছোৱালী আছিল?

জন ল'ৰাই সিহঁতৰ বন্ধু এজনৰ পৰা এখন কিতাপ কিনিলে। যদি কিতাপখনৰ দাম ১৪০ টকা হয়, ল'ৰা দুজনৰ প্ৰত্যেকে কিমানকৈ ৰ লাগিব?

ৰিডাল ফিতাৰ দাম ৬০ টকা হ'লে এডাল ফিটাৰ দাম কিমান?

ন দোকানত ৩৫টা টায়াৰ আছে। এখন গাড়ীত ৪টা টায়াৰ লগাব গে, তেন্তে কেইখন গাড়ীত কেইটা টায়াৰ লগাব পাৰিব আৰু ইটা টায়াৰ বৈ যাব?





কাৰ্তিকৰ ৬০খন ফটো আছে। এটা এলবামৰ এখন পৃষ্ঠাত ৮খনকৈ ফটো লগালে এলবামৰ কেইখন পৃষ্ঠাত সম্পূৰ্ণকৈ ফটো লগাব পাৰিব আৰু কেইখন ফটো বৈ যাব?

৬৪ জন ল'ৰা-ছোৱালীৰ মাজত ৮ জনীয়া দল গঠন কৰা হ'ল। কেইটা দল গঠন হ'ব?

যদি ১০টা পেকেটত ১০০টা বেলুন থাকে তেন্তে ১টা পেকেটত কেইটা বেলুন থাকিব?

৩টা নাৰিকলৰ দাম ৯৬ টকা হ'লে এটা নাৰিকলৰ দাম কিমান?

মল্লিকাৰ খুড়াকে ফুলনি বাগিচাৰ বেৰ দিবলৈ ১৪ ডাল বাঁহ আনিলে। যদি এখন বেৰ দিবলৈ তিনিডাল বাঁহ লাগে তেনেহ'লে চাৰিখন বেৰ দিবলৈ কেইডাল বাঁহ লাগিব আৰু কেইডাল বাঁহ বৈ যাব?

২১টা বেলুন ৬ জন ল'ৰাৰ মাজত ভগাই দিলে গাইপতি কেইটাকৈ বেলুন পাব? কেইটা বেলুন বৈ যাব?